

## ১৫.৬ অগ্রগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** কোনো এটা ভাষাৰ শব্দসম্ভাৰ আৰু তাৰ গাঁথনিক ৰূপৰ মাজেদি একোখন সমাজৰ সামাজিক স্তৰবিন্যাস আৰু বিবিধ সামাজিক সংগঠনসমূহৰ প্ৰতিফলন ঘটে। ভাষা ব্যৱহাৰৰদ্বাৰা ঘাইকৈ দুটা কথা স্পষ্ট হয়। সেয়া হৈছে— সামাজিক সম্বন্ধ নিৰূপণত ভাষাৰ কাৰ্যকাৰিতা আৰু ভাষা-ব্যৱহাৰে বক্তাৰ বিষয়ে তথ্যও যোগান ধৰে।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** Fishman-এ সমাজ ভাষা-বিজ্ঞান তিনিধৰণেৰে ভাগ কৰি আলোচনা কৰিছে। সেয়া হৈছে— (ক) বৰ্ণনাত্মক সমাজ ভাষা-বিজ্ঞান (Descriptive Sociology of language), (খ) গতিশীল সমাজ ভাষা-বিজ্ঞান (Dynamic Sociology of language), আৰু (গ) প্ৰায়োগিক সমাজ ভাষা-বিজ্ঞান (Applied Sociology of language)।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** কোনো এক সম্প্ৰদায়ৰ বিশেষ এক জাতিয়ে উত্তৰাধিকাৰীসূত্ৰে ব্যৱহাৰ কৰা উপভাষাই সামাজিক জাতিগত উপভাষা।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** অট' জেপাৰছনে *Language : Its Nature Development and Origin* নামৰ গ্ৰন্থত The Women শীৰ্ষক অধ্যায়ৰ জৰিয়তে নাৰী-পুৰুষৰ ভাষাৰ মাজত থকা পাৰ্থক্য প্ৰথম উল্লেখ কৰে।



## ১৫.৭ আৰ্হি প্ৰশ্ন

**বস্তুধৰ্মী প্ৰশ্ন**

**প্ৰশ্ন ১ ঃ** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) হাডছনে সমাজ ভাষা-বিজ্ঞান সম্পৰ্কে আগবঢ়োৱা সংজ্ঞাটো লিখক।

খ) সামাজিক শ্ৰেণীবিভাজনৰ লগত সমাজ ভাষা-বিজ্ঞানৰ সম্পৰ্ক কি?

গ) ৰবীন লেকফে নাৰী আৰু পুৰুষৰ ভাষা-ব্যৱহাৰৰ পাৰ্থক্য সম্পৰ্কে কি মন্তব্য কৰিছিল উল্লেখ কৰক।

**প্ৰশ্ন ২ ঃ** শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) বৰ্ণনাত্মক সমাজ ভাষা-বিজ্ঞানে ভাষা ব্যৱহাৰৰ সাধাৰণ নিয়ম অৰ্থাৎ সাধাৰণভাৱে গ্ৰহণযোগ্য ভাষা ব্যৱহাৰৰ আৰ্হি, এটা বিশেষ সামাজিক সংগঠন বা ভাষিক গোটৰ